# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-06-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

গুজৰাটৰ আহমেদাবাদৰ মেঘানি নগৰত আজি দুপৰীয়া ২৪২গৰাকী যাত্ৰী কঢ়িয়াই লণ্ডন অভিমুখে উৰা মাৰিবলৈ লোৱা এয়াৰ ইণ্ডিয়াৰ ১৭১ বিমানখন উৰণৰ সময়তে দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত বহু যাত্ৰীৰ প্ৰাণহানিৰ আশংকা কৰা হৈছে। ১৬৯গৰাকী ভাৰতীয়, ৫৩গৰাকী ব্ৰিটিছ, এগৰাকী কানাডিয়ান আৰু সাতগৰাকী পৰ্তুগীজ নাগৰিক থকা বিমানখনত গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীও আছিল। প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। বিমানখন গুজৰাট অসামৰিক চিকিৎসালয়ৰ চিকিৎসকৰ এটা নিবাসৰ ওপৰত দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত কেইবাগৰাকীও চিকিৎসক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ উপৰি প্ৰাণহানি হোৱাৰো আশংকা কৰা হৈছে।  ঘটনা সংঘটিত হোৱাৰ পাছতে অগ্নিনিৰ্বাপন বাহিনী, আৰক্ষী আৰু দুৰ্যোগ সঁহাৰি বাহিনী ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। গুৰুতৰভাৱে আহতসকলক ততালিকে সমীপৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। উদ্ধাৰ অভ্যিান ক্ষীপ্ৰ কৰি তোলাৰ বাবে দৰ্ঘটনা সংঘটিত স্থানলৈ যোৱা আটাই কেইটা পথ বন্ধ কৰি দিয়া হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনা গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে এই অবৰ্ণনীয় পৰিস্থিতিৰ সন্মুখীন হোৱা লোকসকলৰ ওচৰত সমগ্ৰ ভাৰতবাসী আছে বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্ধাৰ অভিযানৰ অহৰহ তথ্য লৈ আছে আৰু সকলো সাহায্যৰ প্ৰতিশ্ৰুতি দিছে। প্ৰধানমন্ত্ৰী মোদীয়ে এই সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসামৰিক বিমান পৰিবহন মন্ত্ৰী ৰামমোহন ৰায়ডুৰ সৈতে কথা পাতি সকলো দিশৰ বুজ লয়। শ্ৰী ৰায়ডুয়ে কয় যে, সকলো ধৰণৰ তাৎক্ষণিক পদক্ষেপ লোৱা হৈছে আৰু মন্ত্ৰালয়ে এই দুৰ্যোগ অভিযানৰ সকলো তথ্য লৈ আছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পাটেলৰ সৈতে কথা বতৰা পাতি সকলো সাহায্যৰ প্ৰতিশ্ৰুতি দিছে।

ooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ধ্ৰুপদী নৃত্যশিল্পী ড০ সোনাল মানসিঙক আজি প্ৰদান কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ড০ মানসিঙক এই বৰ্ষৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰে। কেইবাটাও দশক ধৰি শাস্ত্ৰীয় নৃত্য সাধনাৰ লগতে  সমাজ, সংস্কৃতি আৰু সাহিত্যৰ দিশত অমূল্য বৰঙণি আগবঢ়োৱা শিল্পীগৰাকীক ইতিমধ্যে পদ্ম বিভূষণ সন্মান আগবঢ়োৱা হৈছে।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে।

বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তনৰ জৰিয়তে অসমত আধ্যাত্মিক নৱজাগৰণৰ সূচনা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰাজী বিশ্বৰ প্ৰেক্ষাপটত দাঙি ধৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে ১৯৮৬ চনৰ পৰা সাহিত্য, কলা, সংস্কৃতি, সাংবাদিকতাকে ধৰি বিভিন্ন ক্ষেত্ৰত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰা ব্যক্তিলৈ এই বঁটা আগবঢ়াই আহিছে। এই বঁটাত নগদ ধনৰ উপৰি এখন প্ৰশংসা পত্ৰ, এটা সোণৰ পদক, এখন শৰাই আৰু অংগবস্ত্ৰ আগবঢ়োৱা হয়। ২০০৮ চনৰ পৰা প্ৰতি ৩ বছৰৰ ব্যৱধানত এই বঁটা প্ৰদান কৰি অহা হৈছে।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মহাপুৰুষ মাধৱদেৱৰ ৫৩৬ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উলহ-মালহেৰে পালন কৰা হৈছে। বৰপেটা জিলাত গুৰুজনাই স্থাপন কৰা সুন্দৰীদিয়া সত্ৰ, বৰপেটা সত্ৰ, বাৰাদি সত্ৰ আদিত আজি পুৱাৰে পৰা মহাপুৰুষজনাৰ জয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৰপেটা সত্ৰত গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উপলক্ষে নিয়মীয়া প্ৰসংগৰ উপৰিও গায়ন-বায়ন প্ৰদৰ্শন, ঘোষা কীৰ্তন, ব্যাস কীৰ্তন ইত্যাদিৰ লগতে ধৰ্মালোচনা সভাৰ আয়োজন কৰা হয়।

কামৰূপ জিলাৰ শুৱালকুছিৰ একশৰণ মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰ শুৱালকুছিৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ মহাপুৰুষ মাধৱদেৱৰ জন্মোৎসৱ পালন কৰা হয়। আজি পুৱা ঊষা কীৰ্তন আৰু ধৰ্মীয় পতাকা উত্তোলন কৰাৰ পাছত নৈমিত্তিক প্ৰসংগৰ উপৰি বিশেষ প্ৰসংগ, পাঠ, চৰিত তোলা, সেৱাৰ গীত পৰিৱেশন কৰাৰ লগতে ধৰ্মালোচনী সভা অনুষ্ঠিত হয়।

বিশ্বনাথ জিলাত শংকৰদেৱ সংঘৰ আঞ্চলিক নামঘৰ প্ৰাংগণতো গুৰুজনাৰ জয়ন্তী দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই উপলক্ষে নাম প্ৰসংগ, গছপুলি ৰোপণ, ধৰ্মধবজা উত্তোলন কৰাৰ লগতে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ১১০ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়।

সত্ৰনগৰী মাজুলীতো কমলাবাৰী, বেঙেনাআটী, চামগুৰি ইত্যাদি সত্ৰসমূহত পৰম্পৰাগত সত্ৰীয়া নিয়মত গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হৈছে।

০০০০০০

গুৱাহাটী মহানগৰীৰ চানমাৰিৰ গান্ধীবস্তি তিনিআলিত আজি এটা ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডত ভালেকেইটা ৰন্ধন গেছৰ চিলিণ্ডাৰ বিস্ফোৰণ হোৱাৰ ফলত জুয়ে ভয়াবহ ৰূপ ধাৰণ কৰি ৫০টাৰো অধিক ঘৰ ভস্মীভূত কৰে। অগ্নিনিৰ্বাপক বাহিনীৰ ৪ খনকৈ গাড়ীৰ জৰিয়তে পাছত জুই নুমুওৱা হয়।

০০০০০০

দৰং জিলাত **বিকশিত কৃষি সংকল্প অভিযান ২০২৫**ৰ কাৰ্যসূচীৰ আজি সামৰণি পৰে। যোৱা ২৯ মে’ তাৰিখৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত দেশজুৰি আয়োজিত এই অভিযানৰ অংশ হিচাপে দৰং জিলাৰো ছটা উন্নয়নত খণ্ডত ২০০ খন গাঁৱত কৃষি প্ৰযুক্তি, ভূমি স্বাস্থ্য সুৰক্ষা আৰু বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। প্ৰায় ১০ হাজাৰৰো অধিক কৃষকক এই কাৰ্যসূচীত সামৰি লোৱা হয়। উন্নত বীজ আৰু কৃষি প্ৰযুক্তি, ৰাসায়নিক সাৰৰ সঠিক ব্যৱহাৰ, জৈৱিক কৃষিৰ

সম্ভাৱনা, পশু পালন আৰু মীন পালনত বৈজ্ঞানিক প্ৰযুক্তিৰ প্ৰয়োগ ইত্যাদি বিভিন্ন ক্ষেত্ৰত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী, জিলা কৃষি, মীন আৰু পশুপালন বিভাগৰ বিষয়াসকলে পযেকজোৰা এই অভিযানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। চৰকাৰে গ্ৰহণ কৰা কৃষি উন্নয়নমূলক নীতি আৰু আয় বৃদ্ধি পদক্ষেপসমূহৰ বিষয়েও অভিযানৰ সময়ত প্ৰতিদিনে চাৰিখনকৈ সভা আয়োজন কৰি কৃষকসকলক সজাগ কৰা হয়। কৃষি ক্ষেত্ৰত ড্ৰোনৰ প্ৰয়োগ সন্দৰ্ভতো এই কাৰ্যসূচীত ভাৰতীয় কৃষি অৰণ্য উন্নয়ন সমবায়ৰ সৌজন্যত সজাগতামূলক প্ৰদৰ্শন কৰা হয়।

oooooo

সমাপ্ত